**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-02-2025
**Time :** 0755 Hrs.

# *Assamese Morning Bulletin*

0000000

অহা বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে কেন্দ্ৰীয় কৰৰ অংশ মুঠ ৪৪ হাজাৰ ৪৯৪ কোটি টকা ধাৰ্য কৰিছে। চলিত বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰে এই কৰ ৪০ হাজাৰ ২৫৩ কোটি ধাৰ্য কৰিছিল। এই হিচাপত অহা বিত্তীয় বৰ্ষত কেন্দ্ৰীয় কৰৰ অংশ হিচাপে চৰকাৰে ৪ হাজাৰ ২৪০ কোটি টকা বেছিকৈ ধাৰ্য কৰিছে। অহা বিত্তীয় বৰ্ষত চৰকাৰে ধাৰ্য কৰা কৰৰ ভিতৰত নিগম কৰ হিচাপে ১২ হাজাৰ ৪২৪ কোটি টকা, আয়কৰ হিচাপে ১৬ হাজাৰ ৫৭৭ কোটি টকা, কেন্দ্ৰীয় জি এছ টি ১২ হাজাৰ ৯৫৩ কোটি টকা, শুল্ক দুহেজাৰ ৪৭ কোটি টকা, কেন্দ্ৰীয় আবকাৰী শুল্ক ৪ শ ২৫ কোটি টকা, সেৱা কৰ ১ কোটি ২৪ লাখ টকা, অন্যান্য কৰ আৰু শুল্ক ৬৪ কোটি ১২ লাখ টকা ধাৰ্য কৰিছে। লক্ষ্যনীয় যে, ২০২৫-২৬ বিত্তীয় বৰ্ষত উত্তৰ প্ৰদেশে কেন্দ্ৰীয় কৰৰ অংশ হিচাপে সৰ্বাধিক ২ লাখ ৫৫ হাজাৰ ১৭২ কোটি টকা, বিহাৰে ১ লাখ ৪৩ হাজাৰ ৬৯ কোটি টকা, মধ্যপ্ৰদেশ ১ লাখ ১১ হাজাৰ ৬৬১ কোটি টকা আৰু পশ্চিমবংগই ১ লাখ ৭ হাজাৰ ১০ কোটি টকা লাভ কৰিছে।

0000000

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা  অধিৱেশনৰ আজি চতুৰ্থ দিন। পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত আয়োজিত অধিৱেশনত কালি বৰ্ণাঢ্য কাৰ্যসূচীৰে দিনটোৰ কাৰ্যক্ৰমণিকাৰ কালি অন্ত পৰাৰ পাছত পুৱা চাৰে ৯ বজাত বুৰঞ্জী সন্মিলন অনুষ্ঠিত হ'ব। দিনৰ চাৰে ১১ বজাত বজালী ভিত্তিত লোক সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হ'ব। দুপৰীয়া ২ বজাত অধিৱেশনৰ দ্বিতীয় মুকলি সভা অনুষ্ঠিত হ'ব। আনহাতে বিয়লি ৪ বজাত যুৱ সংসদ, সন্ধিয়া চাৰে ৬ বজাত সাংস্কৃতিক সন্মিলন আৰু চাৰে ৭ বজাত সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উল্লেখযোগ্য যে, কালি তৃতীয় দিনাৰ কাৰ্যসূচী হিচাপে সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক ময়ুৰপংক্ষী ৰথত লৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সাংস্কৃতিক শোভাযাত্ৰাৰ অন্তত অধিবেশনৰ মুকলি সভা অনুষ্ঠিত হয়। কালিৰ কাৰ্যসূচীতে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাই নতুন সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক আদৰণি জনাই সভাপতিৰ দায়িত্ব আনুষ্ঠানিকভাৱে অৰ্পন কৰে।

0000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা হৈছে। অৱশ্যে এইবাৰ সৰস্বতী পূজাৰ তিথি দুদিনীয়া হোৱাৰ বাবে কোনো কোনো অঞ্চলত কালি সৰস্বতী পূজা পালন কৰা হয়। আজি গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান প্ৰতিষ্ঠানত এই পূজাৰ বাবে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। পূজা মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে।

0000000

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক যোৰহাট অধিৱেশনলৈ মাজত মাথো কেইটামান দিনহে বাকী থকা অৱস্থাত আয়োজক সমিতিৰ প্ৰস্তুতি তুংগত উঠিছে। এইবাৰৰ অধিৱেশন যোৰহাটৰ ম'হবন্ধাৰ এৰালতলী পথাৰত অহা ৬ৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ আয়োজন কৰা হৈছে। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিষেশে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগীসকলৰ উপৰি কাষৰীয়া জিলাসমূহৰ পৰা অহা হাজাৰ হাজাৰ ভক্তই শ্ৰমদান কৰি অধিৱেশন সফল কৰি তুলিবলৈ চেষ্টা চলাইছে। ১২শ বিঘা মাটিৰে আগুৰা এৰালতলী পথাৰৰ ভূমিত সংঘৰ ভকত-বৈষ্ণৱৰ লগতে ইছলামধৰ্মী লোকসকলেও স্বেচ্ছাই শ্ৰমদান কৰিছে। এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া ক্ষেত্ৰ সাজু কৰি তোলাৰ বাবে ইছলাম ধৰ্মাৱলম্বী লোক সকলেও স্বইচ্ছাই শ্ৰমদান কৰিছে। ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ এই শ্ৰমদানে ভাতৃত্ববোধ আৰু শান্তিৰ বাণী বিলাইছে। অধিৱেশন উপলক্ষে চৰকাৰী বিভাগসমূহে ইতিমধ্যে বিদ্যুৎৰ ব্যৱস্থা, খোৱাপানীৰ ব্যৱস্থা, পথ নিৰ্মাণ কৰি যাতায়াতৰ সু-ব্যৱস্থা আদি যাৱতীয় কামসমূহ সম্পূৰ্ণ কৰিছে। অধিৱেশনত বিশেষ প্ৰতিনিধি শিবিৰ, বৃহৎ সেৱা বাহিনীৰ সভাকক্ষ, ২০০ প্ৰতিনিধি শিবিৰ, বাণিজ্য মেলা, প্ৰদৰ্শনী, গ্ৰন্থমেলা, বহিঃবাণিজ্য, ভোজনালয়, ৰান্ধনিশাল, কেন্দ্ৰীয় ভঁৰাল, বিভিন্ন বিভাগৰ কাৰ্যালয় আৰু মূল মণ্ডপ ইতিমধ্যে নিৰ্মাণ কৰা হৈছে। অধিৱেশনস্থলীত নাট ঘৰ, নামঘৰ আৰু পতাকা উত্তোলন বেদি আদিও নিৰ্মাণ কৰা হৈছে। অধিৱেশনস্থলীত নিৰ্মাণ কৰা প্ৰতিটো নিৰ্মাণ কাৰ্যই বাঁহ, খেৰ, নৰা আদি প্ৰাকৃতিক সামগ্ৰীৰে নিৰ্মাণ কৰা দেখা গৈছে।

0000000

যোৱা নিশা মুম্বাইৰ ৱানখাৰে ষ্টেডিয়ামত ভাৰত-ইংলেণ্ডৰ মাজত অনুষ্ঠিত  পুৰুষৰ টি-২০ ক্ৰিকেটৰ পাঁচখনীয়া শৃংখলাৰ অন্তিমখন খেলত ১৫০ ৰানৰ ব্যৱধানত ভাৰতে জয়লাভ কৰে। এই জয়ৰ দ্বাৰা ভাৰতে পাঁচখনীয়া শৃংখলাত ৪-১ফলাফল লাভ কৰিবলৈ স মৰ্থ হয়। কালিৰ খেলখনত ভাৰতে ২৪৮  ৰানৰ টাৰ্গেট বান্ধি দিছিল যদিও ১০  অভাৰ আৰু তিনিটা বলত ইংলেণ্ডে মাত্ৰ ৯৭  ৰান সংগ্ৰহ কৰি অলআউট হয়। অপেনাৰ ফিলিপ ছল্টে ইংলেণ্ডৰ হৈ সৰ্বাধিক ৫৫ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ মহম্মদ  স্বামীয়ে তিনিটা উইকেট, বৰুণ চক্ৰৱৰ্তী-শিভম ডুবে আৰু অভিষেক শৰ্মাই দুটাকৈ উইকেট দখল কৰে। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ২০অভাৰত ৯উইকেটৰ বিনিময়ত ২৪৭ৰান সংগ্ৰহ কৰিছিল। কালিৰ খেলখনত অভিষেক শৰ্মাক প্লেয়াৰ অব দা মেচ্ সন্মান প্ৰদান কৰা হয়। ইফালে পাঁচখনীয়া শৃংখলাত বৰুণ চক্ৰৱৰ্তীক প্লেয়াৰ অব দি চিৰিজ সন্মান প্ৰদান কৰা হয়।

0000000

আকাশবাণীৰ এসময়ৰ সুকণ্ঠি গায়িকা বীণা ভাগৱতীৰ আজি পুৱা জু-ৰোডৰ বাসভনত মৃত্যু হয়। মৃত্যু সময়ত গায়িকাগৰাকীৰ বয়স হৈছিল ৮৮ বছৰ।

০০০০০০০

**সমাপ্ত**